নং ঃ ৩৭৭/২০২১

# জ্ঞানপীঠ বঁটাৰ বাবে নিৰ্বাচিত বিশিষ্ট কবি নীলমণি ফুকনলৈ মুখ্যমন্ত্ৰীৰ অভিনন্দন

**দিছপুৰ, ০৭ ডিচেম্বৰ ঃ** দেশৰ সাহিত্য জগতৰ মৰ্যাদাপূৰ্ণ জ্ঞানপীঠ বঁটাৰে ৰাজ্যবাসীক গৌৰৱান্বিত কৰা যশস্বী কবি নীলমণি ফুকনলৈ অভিনন্দন জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি এক বাৰ্তাযোগে মুখ্যমন্ত্ৰীয়ে কয় যে অনন্য উপমা, চিত্ৰকল্পৰে অসমীয়া কাব্য জগতখনৰ লগতে অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনক এক সুকীয়া মাত্ৰা প্ৰদান কৰা নীলমণি ফুকনৰ জ্ঞানপীঠ বঁটা প্ৰাপ্তিত সমগ্ৰ অসমবাসীয়ে আজি অতি গৌৰৱ অনুভৱ কৰিছে। 'গোলাপী জামুৰ লগ্ন', 'সূৰ্য হেনো নামি আহে এই নদীয়েদি' আদি গ্ৰন্থৰে অসমৰ সাহিত্য জগতখনক সমৃদ্ধ কৰা বিশিষ্ট কবিগৰাকীৰ সৃষ্টিৰাজিয়ে পাঠকসমাজক সদায়ে আপ্লুত কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ দিনটো ৰাজ্যখনৰ সাহিত্য ক্ষেত্ৰখনৰ বাবে এটা আনন্দৰ তথা গৌৰৱৰ দিন।

মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশিষ্ট কবিগৰাকীৰ সু-স্বাস্থ্য কামনা কৰি তেওঁ আগন্তুক সময়তো কাব্য-চৰ্চা অব্যাহত ৰাখি ৰাজ্যৰ সাহিত্যৰ ক্ষেত্ৰখন সমৃদ্ধ কৰি যাব বুলি আশা প্ৰকাশ কৰে।

**নিঃকুঃদাঃ**
**০৭-১২-২০২১**